অসম বিধান সভা
তৰাচিহ্নীত প্ৰশ্ন নং : ১৪৪
উত্তৰ দানৰ তাৰিখ : ১৫/০৭/২০২৬
*বিষয়ঃ* **কৃষাণ আঁচনি**
বিধায়কৰ নাম : **শ্ৰী চক্ৰধৰ গগৈঃ**

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) অসমত বৰ্তমান PM কৃষাণ আঁচনিত অন্তৰ্ভুক্ত কৃষকৰ সংখ্যা কিমান ? তাৰেই ডিব্ৰুগড় জিলাৰ খোৱাং সমষ্টিত কিমান জন আছে ? তথ্যসহ ডিজিটেল তালিকা প্ৰদান কৰিব।

খ) PM কৃষাণ আঁচনিৰ অধীনত এগৰাকী কৃষকে কি হিচাবত, কিমান টকা বছৰেকত লাভ কৰে?

গ) এই আঁচনিৰ বাবে যোগ্যতাসমূহ কি কি থাকিব লাগে ? একেটা পৰিয়ালত একাধিক লোকে এই আঁচনি পাব পাৰেনে ? জনাব।

## উত্তৰ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকা দেৱে উত্তৰ দিব :

ক) অসমত ২৩ তম কিস্তিৰ সময়ত PM-Kisan হিতাধিকাৰীৰ সংখ্যা হৈছে ১৮ লাখ ৫৯ হাজাৰ। হিতাধিকাৰীৰ সবিশেষ (ডিব্ৰুগড় জিলাৰ খোৱাংকে ধৰি) পিএম-কিষাণ প'ৰ্টেল https://pmkisan.gov.in-ত তলত দিয়া পদক্ষেপবোৰ অনুসৰণ কৰি চাব পাৰিব:

- Visit https://pmkisan.gov.in and go to the “Farmers Corner” menu
- Click on “Beneficiary List”
- Select, in sequence, State > District > Sub-District > Block > Village from the drop-down menus
- Click “Get Report” to view/download the village-wise list of beneficiary farmers.

(খ) এজন কৃষকে প্ৰতি বছৰে চাৰি মাহৰ তিনিটা সমান কিস্তিত ২,০০০ টকাকৈ মুঠ ৬,০০০ টকা প্ৰত্যক্ষভাৱে যোগ্য কৃষক পৰিয়ালৰ আধাৰ সংযুক্ত বেংক একাউণ্টত লাভ কৰে।

গ) PM-Kisan আঁচনি পোৱাৰ বাবে যোগ্যতা **Annexure-1** ত উল্লেখ কৰা হৈছে।

প্ৰতিটো কৃষক পৰিয়ালৰ এজনহে PM-Kisanৰ হিতাধিকাৰী হ'ব পাৰিব ।

*************

পৰিশিষ্ট (Annexure) সমূহ PDF আকাৰে অনলাইন যোগে **www.cms.neva.gov.in** ত দাখিল কৰা হ'ল ।

Dy 28 Annexure - I

# পি এম-কিষাণ (PM-KISAN) আঁচনিৰ অধীনত যোগ্যতা নিৰ্ধাৰণৰ মাপকাঠি

## ১. যোগ্যতাৰ মাপকাঠি

**ক)** ৰাজ্যৰ ভূমি অভিলেখ অনুসৰি কৃষি ভূমিৰ মালিকানাধীন স্বামী, পত্নী আৰু অপ্ৰাপ্তবয়স্ক সন্তানক লৈ গঠিত **"কৃষক পৰিয়াল"** এটিহে এই আঁচনিৰ সুবিধা লাভৰ বাবে যোগ্য। আঁচনিৰ নিৰ্দেশনা অনুসৰি একেটা পৰিয়ালৰ স্বামী আৰু পত্নী দুয়োজনে একেলগে, একেসময়তে এই সুবিধা লাভ কৰিব নোৱাৰে।

**খ) কাট-অফ তাৰিখ:** এই আঁচনিত পঞ্জীয়নৰ বাবে ০১.০২.২০১৯ তাৰিখলৈ ভূমি অভিলেখত থকা মালিকানাৰ ভিত্তিত যোগ্যতা নিৰ্ধাৰণ কৰা হয়। সাধাৰণতে এই তাৰিখৰ পিছৰ মালিকানাৰ পৰিৱৰ্তন বিবেচনা কৰা নহয়, কিন্তু,

**i.** ভূমিৰ মালিকৰ মৃত্যুৰ ফলত উত্তৰাধিকাৰসূত্ৰে হোৱা মালিকানা পৰিৱৰ্তন এইক্ষেত্ৰত গ্ৰহণযোগ্য। ইয়াৰ বাবে ০১.০২.২০১৯ তাৰিখৰ পূৰ্বৰ ভূমি মালিকৰ আধাৰ নম্বৰ আৰু বৰ্তমানৰ হিতাধিকাৰীৰ তথ্য নতুন পঞ্জীয়ন কৰাৰ সময়ত প'ৰ্টেলত সন্নিবিষ্ট কৰাতো বাধ্যতামূলক।

**ii.** কাট-অফ তাৰিখৰ পিছত বিক্ৰী দলিল (Sale Deed), বাতোৱাৰা দলিল (Partition Deed), উপহাৰ দলিল (Gift Deed) আদিৰ যোগেদি ভূমি ক্ৰয় কৰা ব্যক্তি এই আঁচনিৰ বাবে অযোগ্য, যিহেতু তেওঁৰ নাম ০১.০২.২০১৯ তাৰিখৰ আগত ভূমি অভিলেখত সন্নিবিষ্ট হোৱা নাছিল।

**iii.** ভূমি হস্তান্তৰৰ পিছত যদি হস্তান্তৰকাৰীৰ নিজৰ নামত কোনো কৃষি ভূমি নাথাকে, তেন্তে তেখেতো এই আঁচনিৰ সুবিধাৰ বাবে অযোগ্য হৈ পৰিব।

**গ)** বৰ্তমান বাধ্যতামূলক পাঁচটা প্ৰয়োজনীয়তা:

**i.** আধাৰৰ সৈতে সংযুক্ত ১১ সংখ্যাৰ **কৃষক পঞ্জীয়ন নম্বৰ** — নতুন পঞ্জীয়নৰ বাবে বাধ্যতামূলক।

**ii.** কৃষক পঞ্জীয়ন নম্বৰ (Farmer ID) ৰ সৈতে সংযুক্ত ভূমিখণ্ড (Plot Mapping) — অনলাইন পৰীক্ষণৰ বাবে নিৰ্দিষ্ট ভূমিখণ্ড কৃষক পঞ্জীয়ন নম্বৰৰ সৈতে সংযুক্ত থাকিব লাগিব।

**iii.** আধাৰ পৰীক্ষণ আৰু বছৰি **ই-কে ৱাই চি** সম্পূৰ্ণ কৰাতো বাধ্যতামূলক।

**iv.** আধাৰৰ সৈতে সংযুক্ত **প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ (DBT) ৰ বাবে সক্ষম বেংক একাউণ্ট**।

**v.** আধাৰত পঞ্জীভূক্ত সক্ৰিয় ম'বাইল নম্বৰ — পঞ্জীয়নৰ সময়ত ঔ টি পি (OTP)-ভিত্তিক ই-কে ৱাই চি (e-KYC) সম্পূৰ্ণ কৰাৰ বাবে আধাৰ পঞ্জীভূক্ত ম'বাইল নম্বৰৰ প্ৰয়োজন।

## ২. অযোগ্যতাৰ মাপকাঠি

*(পি এম-কিষাণ আঁচনিৰ কাৰ্যকৰী নিৰ্দেশিকা (Operational Guideline) অনুসৰি)*

**ক)** সকলো **প্ৰতিষ্ঠানগত ভূমিৰ মালিক (Institutional Land Holders)**।

**খ)** যিসকল কৃষক পৰিয়ালৰ এজন বা ততোধিক সদস্য তলত উল্লেখিত শ্ৰেণীৰ অন্তৰ্গত, তেওঁলোক:

**i.** বৰ্তমান বা পূৰ্বৰ সাংবিধানিক পদধাৰী।

**ii.** বৰ্তমান বা পূৰ্বৰ কেন্দ্ৰীয়/ৰাজ্য মন্ত্ৰী, ৰাজ্যিক মন্ত্ৰী, লোকসভা/ৰাজ্যসভাৰ সদস্য, ৰাজ্যিক বিধানসভা/বিধান পৰিষদৰ সদস্য, পৌৰ নিগমৰ মেয়ৰ আৰু জিলা পৰিষদৰ সভাপতি।

**iii.** কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ মন্ত্ৰণালয়, কাৰ্যালয়, বিভাগ, ক্ষেত্ৰীয় গোট, কেন্দ্ৰীয় বা ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ (PSE), সংলগ্ন কাৰ্যালয় অথবা স্বায়ত্তশাসিত প্ৰতিষ্ঠান আৰু স্থানীয় স্ব-শাসিত সংস্থাৰ সকলো কৰ্মৰত বা অৱসৰপ্ৰাপ্ত বিষয়া-কৰ্মচাৰী (মাল্টি টাস্কিং ষ্টাফ (MTS) / চতুৰ্থ শ্ৰেণী (Class-IV) / গ্ৰুপ-ডি (Group-D) কৰ্মচাৰীৰ বাদে)।

**iv.** মাহিলী ₹১০,০০০/- বা তাতকৈ অধিক পেঞ্চন লাভ কৰা সকলো অৱসৰপ্ৰাপ্ত পেঞ্চনভোগী (মাল্টি টাস্কিং ষ্টাফ (MTS) / চতুৰ্থ শ্ৰেণী (Class-IV) / গ্ৰুপ-ডি (Group-D) কৰ্মচাৰীৰ বাদে)।

**v.** যিসকলে আয়কৰ (Income Tax) পৰিশোধ কৰে অথবা কৰি আছে।

**vi.** চিকিৎসক, অভিযন্তা, আইনজীৱী, চাৰ্টাৰ্ড একাউণ্টেণ্ট, স্থপতি আদি পেছাগত সংস্থাত পঞ্জীভূক্ত আৰু পেছাগতভাৱে কৰ্মৰত ব্যক্তি।

**গ)** পি এম-কিষাণ পʼৰ্টেলত নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ ক্ষেত্ৰত, আয়কৰ আইন, ১৯৬১ অনুসৰি **প্ৰবাসী ভাৰতীয় (NRI)** হিচাপে গণ্য হোৱা সকলো ভূমিধাৰী কৃষক পৰিয়াল এই আঁচনিৰ সুবিধা লাভৰ পৰা বঞ্চিত হʼব।

Digitally signed by
Rumi Goswami
Date: 10-07-2026
21:17:06

**নʼডেল বিষয়া, পি এম-কিষাণ**
**কৃষি সঞ্চালকালয়, অসম**